# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-08-2024
**Time :** 17-15 Hrs

## *Assamese Evening Bulletin*

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, মহাকাশ খণ্ডৰ সংস্কাৰৰ জৰিয়তে দেশৰ যুৱ সমাজ বহু পৰিমাণে লাভান্বিত হৈছে। আকাশবাণীযোগে প্ৰচাৰিত নিয়মীয়া অনুষ্ঠান মন কী বাতত আজি প্ৰধানমন্ত্ৰীয়ে কয় যে, দেশত বহু ক্ষেত্ৰত সংস্কাৰমূলক কাম-কাজ হৈছে আৰু এইসমূহ কাম-কাজে উন্নত ভাৰতৰ ভেটি শক্তিশালী কৰিব। তেওঁ কয় যে, ২৩ আগষ্টত দেশবাসীয়ে প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰিলে আৰু লগতে চন্দ্ৰযান-৩ৰ সাফল্যকো উদযাপন কৰিলে। যোৱা বছৰৰ ২৩ আগষ্টত চন্দ্ৰযান-৩য়ে জোনবাইৰ দক্ষিণ অংশত থকা শিৱশক্তি পইণ্টত সফলভাৱে অৱতৰণ কৰিছিল বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, এই সাফল্য অৰ্জন কৰা ভাৰত বিশ্বৰ প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈছিল। শ্ৰীমোদীয়ে আজিৰ অনুষ্ঠানত আই আই টি মাদ্ৰাজৰ একাংশ প্ৰাক্তন শিক্ষাৰ্থীয়ে স্থাপন কৰা গেলেক্সি আই নামৰ মহাকাশ প্ৰযুক্তিৰ ষ্টাৰ্টআপটোৰ এটা দলৰ সৈতে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, মহাকাশ পৰিবেশ তন্ত্ৰ এতিয়া অত্যন্ত গুৰুত্বপূৰ্ণ হৈ উঠিছে।

মানুহ আৰু জীৱ-জন্তুৰ আত্মিক বান্ধোনৰ প্ৰসংগৰে প্ৰধানমন্ত্ৰীয়ে অসমৰ তিনিচুকীয়া জিলাৰ প্ৰান্তীয় গাওঁ বাৰেকুৰিৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে, এই গাওঁখনত বাসিন্দাসকলে মৰাণ জনগোষ্ঠীয় লোক আৰু তেওঁলোক হলৌ বান্দৰৰ সৈতে মৰমৰ বান্ধোনেৰে সংপৃক্ত হৈ আছে। তেঁও কয় যে, গাওঁবাসীয়ে যেতিয়া হলৌ বান্দৰে কল ভাল পাই বুলি জানিব পাৰিলে তেতিয়া তেওঁলোকে নিজৰ কৃষিভূমিত কল খেতি কৰিবলৈ ল'লে। প্ৰধানমন্ত্ৰীয়ে কয় যে, নিজৰ আত্মীয়ৰ জন্ম-মৃত্যু দিৱস পালন কৰাৰ দৰে গাওবাসীয়ে হলৌ বান্দৰৰ জন্ম আৰু মৃত্যুৰ দিন পালন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰিছে। গাওঁখনৰ বাসিন্দাসকলে বান্দৰবোৰৰ একোটা নামো দিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

একেধৰণৰ আন এটা ঘটনাৰ উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, অৰুণাচল প্ৰদেশৰ একাংশ যুৱক-যুৱতীয়ে বন্য জন্তুক যাতে শিং  আৰু দাঁতৰ বাবে কোনোবাই হত্যা কৰিব নোৱাৰে, তাৰ বাবে থ্ৰি ডি প্ৰিণ্টিং প্ৰযুক্তি ব্যৱহাৰ কৰিছে। নাবাম বাপু আৰু লিখা নানাৰ নেতৃত্বত এই দলটোৱে জন্তুবোৰৰ শিং আৰু দাঁতকে ধৰি শৰীৰৰ বিভিন্ন অংশত থ্ৰি ডি প্ৰিণ্টিং কৰিছে। তেওঁ কয় যে, বন্য জন্তুক সুৰক্ষা দিবলৈ আৰু পৰম্পৰা ৰক্ষা কৰিবলৈ এইক্ষেত্ৰত ষ্টাৰ্টআপসমূহ আগবাঢ়ি আহিব লাগে। শ্ৰীমোদীয়ে সমাগত উৎসৱ জন্মাষ্টমি, গণেশ চতুৰ্থী, অনাম, মিলাদ উন নবী, আৰু তেলেগু ভাষা দিৱসৰ বাবে দেশবাসীক আগতীয়াকৈ শুভেচ্ছা জনায়।

০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিটো ধৰ্ষণৰ ঘটনাক নিন্দা কৰাৰ লগতে সমাজৰ পৰা এনে জঘন্য অপৰাধ নিৰ্মূল কৰাটো সামূহিক দায়িত্ব বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যম এক্সত আজি এটি পোষ্টযোগে এই কথা প্ৰকাশ কৰি তেওঁ যোৱা ২৪টা বছৰত ৰাজ্যত সংঘটিত হোৱা ধৰ্ষণৰ তথ্য দাঙি ধৰে। প্ৰকাশিত তথ্য অনুসৰি চলিত বৰ্ষৰ জুলাই মাহলৈ ৰাজ্যত ৫৮০টা ধৰ্ষণৰ ঘটনা সংঘটিত হৈছে। যোৱা বৰ্ষত ৯৮৯টা ধৰ্ষণৰ

ঘটনা সংঘটিত হৈছিল। এনে ধৰ্ষণৰ জঘন্য ঘটনা হ্ৰাস কৰাৰ লগতে মহিলাসকলৰ বাবে সুৰক্ষিত পৰিবেশ গঢ়ি তুলিবলৈ চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টা আৰু দায়বদ্ধতা এই প্ৰতিবেদনৰ জৰিয়তে প্ৰতিফলিত হোৱা বুলি তেওঁ মত প্ৰকাশ কৰে। তেওঁ লগতে সমাজত এনে ঘটনাৰ পুনৰাবৃত্তি নোহোৱাটো সুনিশ্চিত কৰাৰ লগতে নিৰাপত্তা আৰু ন্যায়ৰ পৰিবেশ গঢ়ি তুলিবলৈ সকলোকে আহ্বান জনাইছে।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি  হোজাইৰ আৰৰ্ত ভৱনত খণ্ড উন্নয়ন বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীন আৰু পঞ্চদশ বিত্তীয় আয়োগৰ মুখ্য দিশসমূহৰ বিষয়ে আলোচনা কৰা হয়। বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব, হোজাইৰ আয়ুক্তকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী পিযুষ হাজৰিকাই জাগীৰোডত নিৰ্মীয়মান অৱস্থাত থকা মিনি ষ্টেডিয়াম পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম-কাজসমূহ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ জাগীৰোড বহুমুখী প্ৰেক্ষাগৃহ তথা জাগীৰোড শাখা সাহিত্য সভাৰ কাৰ্যালয়ো পৰিদৰ্শন কৰে।

০০০০০

অসম গণ পৰিষদৰ সাংগঠনিক পৰিকাঠামো অধিক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে আজিৰ পৰা ৭ দিনীয়া কাৰ্যসূচীৰে বুথ সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনত দলটোৰ সভাপতি অতুল বৰা প্ৰমুখ্যে সাংসদ, বিধায়ক, কেন্দ্ৰীয় সমিতিৰ  বিষয়ববীয়া তথা জিলা  বিধানসভা আৰু আঞ্চলিক সমিতিৰো সদস্যসকলে অংশগ্ৰহণ কৰিব।

পৰিবহন মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত তেলিয়ামৰিয়া বুথ সমিতিৰ সভাত উপস্থিত থাকে। সভাত ভাষণ দি  মন্ত্ৰীগৰাকীয়ে সমাগত পঞ্চায়ত নিৰ্বাচনত আশাপ্ৰদ সফলতা কামনা কৰি কৰ্মকৰ্তাসকলক নিষ্ঠাৰে সাংগঠনিক কাম-কাজত মনোনিবেশ কৰিবলৈ আহ্বান জনায়। অতুল বৰাই আজি কমাৰবন্ধাত ডেৰগাওঁ বিধানসভা সমষ্টি অসম যুৱ পৰিষদৰ কাৰ্যবাহী বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত অংশগ্ৰহণ কৰি শ্ৰীবৰাই সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সৈতে শক্তিশালী সম্পৰ্ক গঢ়ি তুলিবলৈ দলীয় কৰ্মকৰ্তাসকলৰ প্ৰতি আহ্বান জনায়।

০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহল গুৱাহাটীৰ ফাঁচীবজাৰ অঞ্চলত ভগৱান মহাবীৰ ধৰ্মস্থলত নাৰায়ণ সেৱা সংস্থাই আয়োজন কৰা নাৰায়ণ কৃত্ৰিম অঙ্গ সংস্থাপন শিবিৰত উপস্থিত থাকে। এই শিবিৰত ৰাজ্যৰ ২৬৫ গৰাকী দিব্যাংগ লোকে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে সংস্থাটোৱে প্ৰদৰ্শন কৰা সামাজিক দায়বদ্ধতাই ৰাজ্যৰ দিব্যাংগ লোকসকলক মৰ্যদাসহ জীয়াই থকাত সহায় কৰিব।

০০০০০

সমাপ্ত